# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

আজি শাৰদীয় দুৰ্গাপূজাৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। আজি দেৱীক কালৰাত্ৰি ৰূপত পূজা-অৰ্চনা কৰা হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা আধ্যাত্মিকতা ৰক্ষা কৰি দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ সপ্তমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। আজি জনগণৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিকৃতিত দেৱালয়ৰ দলৈ নলিনী শৰ্মাই বন্তি প্ৰজ্বলন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ কেইবাখনো পূজা মণ্ডপত দেৱীৰ আশীষ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মহানগৰীৰ ২৯ খন পূজা মণ্ডপত সেৱা লোৱাৰ কথা।

**শিৱসাগৰ** জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে  শাৰদীয় পূজা অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে। শিৱসাগৰ নগৰৰ থানামুখৰ বাৰেঘৰীয়া মছজিদৰ কাষত ৬৫ বছৰ ধৰি নৱযুৱক দুৰ্গোৎসৱ সমিতিয়ে এখন পূজাৰ আয়োজন কৰি আহিছে। ধৰ্মীয় সহিষ্ণুতা আৰু উদাৰতাৰ পৰিচয় দিয়া এই সমিতিয়ে নামাজৰ সময়ত ইছলামধৰ্মী লোকৰ নামাজৰ সুবিধা হোৱাকৈ তেওঁলোকৰ বিভিন্ন কাৰ্যসূচী বন্ধ ৰাখে। এইবছৰ সমিতিখনে জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে। এই সন্দৰ্ভত আয়োজক বিষ্ণু শৰ্মাই এইদৰে কয়-

বাইট

জিলাখনত সৰ্বমুঠ ২৫ খন ৰাজহুৱা পূজা অনুষ্ঠিত হৈছে।

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে। ডিব্ৰুগড়ৰ পূৰ্ণানন্দ পথত থকা জ্ঞানদায়িনী দুৰ্গা পূজাথলীত আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সেৱা জনায়। **বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি সপ্তমীৰ দিনা বিভিন্ন পূজা মণ্ডপত ভক্তৰ সমাগম পৰিলক্ষিত হয়। কেইবাখনো পূজা সমিতিয়ে সুন্দৰ আৰ্হিৰে মণ্ডপ নিৰ্মাণ কৰি ভক্তসকলক আকৰ্ষিত কৰিছে। সকলো মণ্ডপতে জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ ঘটনাৰ তদন্তৰ পৰিপ্ৰেক্ষিতত ছিংগাপুৰৰ সৈতে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান জনাবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ক আনুষ্ঠানিকভাৱে আবেদন জনাইছে। এই আহ্বানৰ

পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয়, যে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ সন্ধান অসম আৰক্ষীয়ে লাভ কৰিছে। অহা ২-৩ দিনৰ ভিতৰত অভিযুক্ত শ্যামকানু মহন্ত গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিৎ সিঙে সাংবাদিকৰ আগত কয় যে এই ঘটনাৰ অনুসন্ধানৰ বাবে এছ আই টিয়ে ইতিমধ্যে ভালেমান তথ্য লাভ কৰিছে যদিও এতিয়াই তথ্যসমূহ ৰাজহুৱা কৰিব পৰা নাযায়। তেওঁ এই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম আৰক্ষীৰ ওপৰত আস্থা ৰাখিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে উৰা বাতৰিত পতিয়ন যোৱা আৰু ভ্ৰান্ত তথ্য প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলোকে আহ্বান জনায়।

ooooo

কালি দেহাৱসান ঘটা অসমীয়া চলচ্চিত্ৰৰ প্ৰযোজক, পৰিচালক, তিমথি দাস হাঞ্চেৰ পাৰ্থিৱ শৰীৰ আজি কাৰ্বি আংলং জিলাৰ ডিফুৰ ৰংমংৰেস্থিত বাসগৃহলৈ লৈ যোৱা হয়। ১৯৮৫ চনত শ্বেৰ আলাং নামৰ কাৰ্বি চলচ্চিত্ৰৰে চলচ্চিত্ৰ জীৱন আৰম্ভ কৰা পৰিচালকগৰাকীক শেষ বিদায় জনাবলৈ আজি তেওঁৰ বাসগৃহত বহু লোক সমবেত হয়। কাইলৈ ডিফুৰ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব বুলি জানিব পৰা গৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিসালয়ত কালি তিমথি দাস হাঞ্চেৰ দেহাৱসান ঘটিছিল।

ooooo

সমাপ্ত